PRAG BOSIMI SYNTHETICS LIMITED
(A JOINT SECTOR UNDERTAKING IN ASSAM)

CORPORATEOFFICE:
R-79/83, LAXMI INSURANCE BUILDING,
5TH FLOOR, SIR P.M.ROAD, MUMBAI
400001. PHONE.: 22660300(5LINES)• FAX:22660298
EMAIL: secretarial@boimi.com
WEBSITE: www.pragbosimi.com
CIN NO.:L17124AS1987PLC002758

04th June, 2026

The Manager,
Dept of Corp. Services,
Bombay Stock Exchange Limited,
P. J. Towers, Dalal Street,
Mumbai- 400 001.

**Scrip No: 500192**

Dear Sir/Madam,

Subject: Copy of Published Audited Financial Results for the Quarter and year ended March 31, 2026

Pursuant to Regulation 30 read with Schedule III Part A Para A and Regulation 47 of SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015, we are enclosing herewith copies of advertisement published of Audited Financial Results of the Company for the Quarter and year ended on March 31, 2026 in Financial Express and Dainadin Barta on May 30th 2026

This intimation is also being made available on the website of the Company at www.pragbosimi.com

This is for your information and records.

Thanking you,

Yours sincerely

For PRAG BOSIMI SYNTHETICS LIMITED

Madhu Poonamchand Dharewa

Digitally signed by Madhu Poonamchand Dharewa
Date: 2026.06.04 15:19:25 +05'30'

Madhu P. Dharewa
Company Secretary
A31733

# লামডিঙৰ হাতীখালী এন চি প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষক চিত্তৰঞ্জন দাসৰ অৱসৰ

## আবেগিক ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক



**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ২৯ মে' ঃ** হোজাই জিলাৰ অন্তৰ্গত ৰে'ল চহৰ লামডিঙৰ শাস্ত্ৰীগাঁওস্থিত হাতীখালী এন চি প্ৰাথমিক বিদ্যালয়ত আজি এক আবেগিক আৰু স্মৰণীয় পৰিৱেশৰ সৃষ্টি হয়, যেতিয়া বিদ্যালয়খনৰ প্ৰধান শিক্ষক চিত্তৰঞ্জন দাসে নিজৰ দীৰ্ঘ কৰ্মজীৱনৰ অন্ত পেলাই আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰে। ১৯৯৩ চনৰ ১ অক্টোবৰ তাৰিখে শিক্ষকতা জীৱনৰ সূচনা কৰি দীৰ্ঘ তিনিটা দশকৰো অধিক সময় ধৰি দাসে বিদ্যালয়খনত নিষ্ঠা আৰু দায়িত্ববোধেৰে সেৱা আগবঢ়াই আহিছে। তেওঁৰ এই দীৰ্ঘ কৰ্মজীৱনত অসংখ্য শিক্ষাৰ্থীক শিক্ষিত কৰি সুনাগৰিক হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই উপলক্ষে বিদ্যালয়খনত আয়োজন কৰা সম্বৰ্ধনা অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী, অভিভাৱক তথা স্থানীয় ৰাইজৰ বৃহৎ সমাগম ঘটে।সকলোৱে দাসক উষ্ম সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁৰ শিক্ষাক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানটোত উপস্থিত বহুতো শিক্ষাৰ্থী আৰু অভিভাৱক আবেগাপ্লুত হৈ পৰে। তেওঁলোকে দাসৰ সুস্বাস্থ্য, দীৰ্ঘায়ু আৰু সুখ-শান্তিৰে ভৰা অৱসৰ জীৱনৰ বাবে আন্তৰিক শুভকামনা জ্ঞাপন কৰে। সঁচাকৈয়ে, চিত্তৰঞ্জন দাসৰ অৱসৰে বিদ্যালয়খনত এক শূন্যতা সৃষ্টি কৰিলেও, তেওঁৰ শিক্ষাদৰ্শ আৰু মূল্যবোধ আগন্তুক প্ৰজন্মৰ বাবে সদায় অনুপ্ৰেৰণা হিচাপে থাকিব।

# মৰিয়নিৰ নকছাৰিত আঠ কোটি টকীয়া মডেল স্কুলৰ গৃহ নিৰ্মাণত বিসংগতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৯ মে' ঃ** মৰিয়নি সমজিলাৰ অন্তৰ্গত নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন কৈ নিৰ্মাণ কৰি থকা আঠ কোটি টকীয়া মডেল স্কুলৰ গৃহ নিৰ্মাণত বিসংগতি। পকী বেৰা সমূহ চিৰাল ফাট মেলা দেখিবলৈ পোৱা গৈছে। গুজৰাটৰ শ্ৰীজী ক্ৰুপা প্ৰজে লিমিটেড নামৰ এটা কোম্পানীয়ে নিৰ্মাণ কৰি আছে এই আঠ কোটি টকীয়া মডেল স্কুলৰ গৃহীটি। এই বছৰৰে ২ ফেব্ৰুৱাৰী তাৰিখে অসমৰ বৰ্তমানৰ মুখ্য মন্ত্ৰী হিমন্ত বিস্ব শৰ্মাই বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ উপস্থিতিত লৰালৰিকৈ নিৰ্মাণৰ কাম শেষ নৌ হওঁতেই শুভাৰম্ভ কৰে। তাৰ পিছৰ পৰাই লাহে লাহে বিদ্যালয় খনৰ নিৰ্মাণৰ বিসংগতি দেখা পোৱা যায়। ভৱিষ্যতে কন কন লৰা ছোৱালী শিক্ষা গ্ৰহণ কৰিব লগীয়া এই গৃহীতি এনেকৈ নিৰ্মাণ কৰাত এতিয়া চিন্তিত হৈ পৰিছে অভিভাৱক, দল-সংগঠন আৰু সচেতন ৰাইজ। বিদ্যালয় খনৰ সৰহভাগ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে লগতে নব্বৈ শতাংশ ধন মোকোলাই নিয়া বুলি জানিব পৰা গৈছে। বিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যেই ঠিকাদাৰ পক্ষ আৰু গৃহ নিৰ্মাণ বিভাগক বিষয় টো অৱগত কৰিছে যদিও কোনো ধৰণৰ ফল ধৰা নাই। মন কৰিবলগীয়া কথা যে এই কাম সমূহ চোৱা-চিতা কৰিবলৈ এখন নিৰ্মাণ সমিতিৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ থকা স্বত্বেও ঠিকাদৰ কোম্পানীটোৱে কিয় এনে কাম কৰিবলৈ সাহস পাইছে তাক লৈ এতিয়া প্ৰশ্ন হৈছে স্থানীয় ৰাইজৰ। আজি এই বিদ্যালয় গৃহ নিৰ্মাণত বিসংগতি দেখি নকছাৰি আঞ্চলিক ছাত্ৰ সন্থা আৰু বীৰ লাচিত সেনাৰ বিষয়ববীয়া উপস্থিত হৈ বিদ্যালয় কৰ্তৃপক্ষই আৰু ঠিকাদৰ পক্ষক লগ কৰি বিষয়টো অৱগত কৰে।সংবাদ মাধ্যম যোগে অসমৰ মুখ্য মন্ত্ৰীকো বিষয়টো তদন্ত কৰিবলৈ আহ্বান জনাই দুয়োটা সংগঠনে। আনফালে থিকাদাৰ পক্ষকো দুয়োটা সংগঠনে অতি সোনকালে কাম সমূহ মেৰামতি কৰিবলৈ সকিয়নী প্ৰধান কৰে অন্যথা প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব বুলি কয়।

## চিৰাল ফাত মেলিছে পকী দেৱালত




BUREAU OF INDIAN STANDARDS
Department of Consumer Affairs Ministry of Consumer Affairs. Food & Public Distribution, Govt of india
Manak Bhavan, 9. Bahadur Shah Zafar Marg. New Delhi-110002
INDICATIVE ADVERTISEMENT NO. 01/2026/ESTT/ (DEPUTATION)

Bureau of Indian Standards invites applications from the eligible serving employees of Central Govt./State Govt./Union Territory Govt. Statutory/ Autonomous Body for filling up of the vacancies in the post of Section Officer on **Deputation Basis** as details given below:

| Name of post | No. of vacancies |
|---|---|
| Level-7 (Rs 44900-142400) | 20 |

**How to Apply:**
1. The last date of receipt of application is 45 days from the date of release of Advertisement in the Employment News/Rozgar Samachar.
2. Please refer the detailed advertisement available under the tab "Career Opportunities" at home page of the BIS website: **www.bis.gov.in**

(Shoaib Akhter)
Director (Establishment)
Date: 13 May 2026

CBC 08103/11/0003/2627


# কাছাৰত ১৮ কোটিৰ ইয়াবা টেবলেট জব্দ, গ্ৰেপ্তাৰ ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিলচৰ, ২৯ মে' ঃ** ড্ৰাগ্‌ছ বিৰোধী অভিযানত কাছাৰ আৰক্ষীয়ে আন এক বৃহৎ সফলতা লাভ কৰিছে। গোপন সূত্ৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত ধলাইত কৰা নাকা পৰীক্ষাত বৃহৎ পৰিমাণৰ সন্দেহযুক্ত ৬০ হাজাৰ ইয়াবা টেবলেট উদ্ধাৰ কৰা হৈছে। এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে দাবী কৰিছে যে উদ্ধাৰ হোৱা ড্ৰাগ্‌ছৰ ক'লা বজাৰ মূল্য প্ৰায় ১৮ কোটি টকা। এই ঘটনাত নাগামলেন নামৰ এজন ৪৪ বছৰীয়া যুৱকক গ্ৰেপ্তাৰ কৰা হৈছে। মণিপুৰৰ চুৰাচান্দপুৰ জিলাৰ বাসিন্দা বুলি জানিব পৰা গৈছে। গোপন সূত্ৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত যোৱা নিশা আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে অভিযান চলায়। নাকা পৰীক্ষাৰ সময়ত মিজোৰামৰ পৰা অহা এএছ১২ইউ৭৭৪৬ নম্বৰৰ এখন মহিন্দ্ৰা বলেৰো বাহন জব্দ কৰা হয়। পিছত গাড়ীখনত তালাচী চলোৱাত প্ৰায় ৬০ হাজাৰ সন্দেহযুক্ত ইয়াবা টেবলেট আৰু এটা মোবাইল ফোন উদ্ধাৰ কৰা হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি, উদ্ধাৰ হোৱা টেবলেটসমূহৰ ডিডিকে কিট টেষ্টত মেথামফেটামাইনৰ উপস্থিতি ধৰা পৰিছে। ঘটনাৰ পাছতে ধৃত ব্যক্তিজনক জেৰা অব্যাহত ৰাখিছে আৰু সমগ্ৰ চক্ৰটোৰ লগত কোন জড়িত সেই বিষয়ে তদন্ত অব্যাহত ৰাখিছে।আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে চলি থকা অভিযানত এই বিপুল পৰিমাণৰ ইয়াবা জব্দ কৰাটো এক বৃহৎ সফলতা বুলি বিবেচনা কৰিছে। অৱশ্যে এই গেঙৰ লগত আৰু কোন জড়িত আছে সেই বিষয়ে জানিবলৈ আৰক্ষীৰ তদন্ত অব্যাহত আছে।

## জোঙাল বলহু গড়ত তিৱা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা

# ডিচেম্বৰ মাহত অনুষ্ঠিত হ'ব তিৱা সাহিত্য সভাৰ মধ্যকালীন অধিবেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৯ মে' ঃ** জোঙাল বলহু গড় উদ্যানস্থলীত কালি তিৱা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি সফলতাৰে অনুষ্ঠিত হয়। সভাত তিৱা জাতিৰ ভাষা, শিক্ষা, ভূমি, সাংস্কৃতিক সুৰক্ষা তথা সামগ্ৰিক জাতীয় অস্তিত্বৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বিস্তৃত আলোচনা অনুষ্ঠিত হয় আৰু কেইবাটাও গুৰুত্বপূৰ্ণ পূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত বিশেষকৈ শেহতীয়াকৈ জাগীৰোডৰ সিন্ধিশৰ আৰু নলধৰা গাঁৱৰ ঐতিহাসিক গোভা ৰাজ্যৰ খিলঞ্জীয়া ভূমিপুত্ৰ তিৱা জনগোষ্ঠীৰ ভূমি চৰকাৰে উপ নগৰ স্থাপনৰ নামত হস্তগত কৰাৰ পৰিকল্পনা সম্পৰ্কে গভীৰ উদ্বেগ প্ৰকাশ কৰা হয়। তিৱা সাহিত্য সভাই স্পষ্টভাৱে উল্লেখ কৰে যে, সভা কেতিয়াও উন্নয়নবিৰোধী নহয়; কিন্তু উন্নয়নৰ নামত খিলঞ্জীয়া ভূমিপুত্ৰ তিৱা সকলৰ ভূমি কৌশলেৰে হস্তগত কৰাৰ যিকোনো প্ৰচেষ্টা নিন্দনীয় আৰু অগ্ৰহণযোগ্য। তিৱা জাতিৰ ভূমি, সমাজ আৰু অস্তিত্ব বিপন্ন কৰিব পৰা যিকোনো পদক্ষেপৰ বিৰুদ্ধে তিৱা সাহিত্য সভাই সদায় দৃঢ়ভাৱে থিয় দিব বুলি সভাই মত প্ৰকাশ কৰে। লগতে চৰকাৰক এই পৰিকল্পনাৰ পৰা আঁতৰি থাকিবলৈ দাবী জনোৱা হয়। ইয়াৰ উপৰিও, জাগীৰোডৰ দেওশালত দীৰ্ঘদিন ধৰি তিৱা সাহিত্য সভাই দখল কৰি অহা মাটিখিনি ছেমি-কণ্ডাক্টৰ প্ৰকল্পৰ নামত বহিঃশক্তি বা বনিয়া গোষ্ঠীক হস্তান্তৰ কৰা বিষয়টো সভাই তীব্ৰ বিৰোধিতা কৰে। ভাষা, কৃষ্টি-সংস্কৃতি আৰু ভূমিৰ সুৰক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতিৰে গঠিত বৰ্তমানৰ চৰকাৰখনক এই বিষয়ত সংবেদনশীল আৰু ন্যায়সঙ্গত পদক্ষেপ গ্ৰহণ কৰি খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ সভাই দাবী জনায়। সভাত তিৱা ভাষা মাধ্যম প্ৰাথমিক বিদ্যালয়ত প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে বিজেপি নেতৃত্বাধীন অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰা হয়। কিন্তু একে সময়তে তিৱা ভাষাৰ শিক্ষক নিযুক্তি নিদিয়াকৈ, উপযুক্ত শিক্ষানীতি, পাঠ্যক্ৰম, পাঠদান ব্যৱস্থা আৰু প্ৰশিক্ষিত মানৱ সম্পদৰ ব্যৱস্থা নকৰাকৈ তিৱা মাধ্যম প্ৰৱৰ্তন কৰা কাৰ্য ফলপ্ৰসূ বা বাস্তৱসন্মত নহয় বুলি সভাই মত প্ৰকাশ কৰে। সভাৰ মতে, এনে অপৰিকল্পিত সিদ্ধান্তই তিৱা ভাষা আৰু তিৱা সমাজৰ মৰ্য্যদাক হ্ৰাস কৰাৰ লগতে ভূমিপুত্ৰ জনগোষ্ঠীক অপমানিত কৰাৰ অনুভূতি সৃষ্টি কৰিছে। সেয়েহে, তিৱা মাধ্যম শিক্ষা ব্যৱস্থা ফলপ্ৰসূ ৰূপে কাৰ্যকৰী কৰাৰ উদ্দেশ্যে শীঘ্ৰে এক সুসংগঠিত শিক্ষানীতি প্ৰস্তুত কৰা আৰু অতি সোনকালে তিৱা ভাষা শিক্ষক নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনোৱা হয়। ইয়াৰ লগতে চলিত বৰ্ষৰ ডিচেম্বৰ মাহত তিৱা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়, য'ত ভাষা, সাহিত্য, সাংগঠনিক শক্তিশালীকৰণ আৰু জাতীয় সমস্যাসমূহৰ ওপৰত অধিক সুদূৰপ্ৰসাৰী আলোচনা আগবঢ়োৱা হ'ব। সভাত ভাষা সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে 'ভাষা গৌৰব আঁচনি'ৰ অধীনত লাভ কৰা কৰ্পাছ ফাণ্ডৰ নিৰ্দিষ্ট পুঁজিৰ সুতৰ ধন ব্যৱহাৰ কৰি তিৱা ভাষা শিকাৰ হাতপুথি, তিৱা অসমীয়া ব্যাকৰণ গ্ৰন্থ আৰু আন কেইবাখনো মূল্যৱান প্ৰয়োজনীয় গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই মত প্ৰকাশ কৰে যে, ভাষা আৰু সাহিত্যৰ উন্নয়ন অবিহনে জাতীয় চেতনাৰ বিকাশ অসম্ভৱ। তিৱা সাহিত্য সভাই পুনৰ স্পষ্ট কৰি দিয়ে যে, তিৱা জাতিৰ ভাষা, কৃষ্টি-সংস্কৃতি, ভূমি আৰু জাতীয় অস্তিত্ব সুৰক্ষাৰ ক্ষেত্ৰত সভা সদায় আপোচহীন ভূমিকা গ্ৰহণ কৰি আহিছে আৰু ভৱিষ্যততো সেই ধাৰা অব্যাহত ৰাখিব। তিৱা জনগোষ্ঠীৰ ন্যায্য অধিকাৰ, মৰ্যাদা আৰু স্বকীয়তা সুৰক্ষাৰ স্বাৰ্থত গণতান্ত্ৰিক আৰু সাংবিধানিক পথত প্ৰয়োজনীয় সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।





জেমছ ৱাৰেন টি লিমিটেড
কৰ্পোৰেট চিনাক্তকৰণ নম্বৰঃ L15491AS2009PLC009345
পঞ্জীভুক্ত কাৰ্যালয় ঃ বৰদলৈ নগৰ, বাইলেন-৬, ছেক্টৰ ২, তিনিচুকীয়া, অসম ৭৮৬১২৫, দূৰভাষ ঃ ০৩৭৪-২৩৩০০২০
কৰ্পোৰেট কাৰ্যালয় ঃ ১২, প্ৰিট'ৰিয়া ষ্ট্ৰীট, কলকাতা ৭০০০৭১, দূৰভাষ ঃ ০৩৩-৪০৩৪১০০০, টেলিফেক্স ঃ ০৩৩-৪০৩৪১০১৫
ইমেইল ঃ sec@jwtl.in, ৱেবছাইটঃ www.jameswarrentea.com

২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা ত্ৰৈমাসিক আৰু বাৰ্ষিক অডিট সম্পন্ন কৰা বিত্তীয় ফলাফলৰ সাৰাংশ

(লাখ টকাত)

| ক্ৰ. নং | বিৱৰণ | ৩১.০৩.২০২৬ত সমাপ্ত হোৱা ৩ মাহ (অডিট সম্পন্ন কৰা) | ৩১.০৩.২০২৫ত সমাপ্ত হোৱা ৩ মাহ (অডিট সম্পন্ন কৰা) | ৩১.০৩.২০২৬ত সমাপ্ত হোৱা বৰ্ষ (অডিট সম্পন্ন কৰা) | ৩১.০৩.২০২৫ত সমাপ্ত হোৱা বৰ্ষ (অডিট সম্পন্ন কৰা) |
|---|---|---|---|---|---|
| ১ | কাৰ্যকলাপৰ পৰা হোৱা মুঠ উপাৰ্জন | ৩২৩.৯৪ | ৮১৪.৯৩ | ১১,১৩৮.৫৩ | ১৬,৫৯৮.৬৯ |
| ২ | উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ / (লোকচান) (কৰ, ব্যতিক্ৰমী আৰু/বা অসাধাৰণ দফাৰ পূৰ্বে) | (২,৫০৮.০৭) | (১,২৮৮.৭২) | ১,৩৩৬.৫৫ | ৩,৩২১.৭৮ |
| ৩ | কৰৰ পূৰ্বে উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ / (লোকচান) (ব্যতিক্ৰমী আৰু/বা অসাধাৰণ দফাৰ পিছত) | (২,৫০৮.০৭) | ৪,৩০৯.৪৭ | ১,৩৩৬.৫৫ | ১০,৩৯৮.৮৬ |
| ৪ | কৰৰ পিছত উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ / (লোকচান) (ব্যতিক্ৰমী আৰু/বা অসাধাৰণ দফাৰ পিছত) | (২,১২৬.৯৭) | ৪,৩৮৪.২৮ | ১,২৪২.২১ | ১০,১৩৯.৫৬ |
| ৫ | উক্ত সময়ছোৱাৰ বাবে সৰ্বমুঠ ব্যাপক উপাৰ্জন (য'ত অন্তৰ্ভুক্ত আছে উক্ত সময়ছোৱাৰ লাভ / (লোকচান) (কৰৰ পিছত) আৰু অন্যান্য ব্যাপক উপাৰ্জন (কৰৰ পিছত)) | (২,৩২২.২৬) | ৪,৪৩৬.৩৬ | ১,০১৩.৯৪ | ১০,১৮১.১৪ |
| ৬ | ইকুইটি শ্বেয়াৰ মূলধন | ৩৭০.০০ | ৩৭০.০০ | ৩৭০.০০ | ৩৭০.০০ |
| ৭ | অন্যান্য ইকুইটি (পুনৰ মূল্যাংকন সঞ্চিত ধনৰ বাহিৰে) | - | - | ১৯,৪২২.৪৭ | ১৮,৪০৮.৫৩ |
| ৮ | প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জন (প্ৰতিটো ১০ টকাকৈ) (অবিৰত আৰু বন্ধ হৈ যোৱা কাৰ্যকলাপৰ বাবে)* | | | | |
| | মৌলিক (টকা) ঃ | (৫৭.৪৯) | ১১৮.৪৯ | ৩৩.৫৭ | ২৭৪.০৪ |
| | লঘূকৃত (টকা) ঃ | (৫৭.৪৯) | ১১৮.৪৯ | ৩৩.৫৭ | ২৭৪.০৪ |

*বাৰ্ষিকীকৃত নহয়

টোকা ঃ
১. পূৰ্বোক্ত অডিট সম্পন্ন কৰা বিত্তীয় ফলাফলসমূহ অডিট কমিটিয়ে পৰ্যালোচনা কৰিছে আৰু ২০২৬ চনৰ ২৯ মে'ত অনুষ্ঠিত বৈঠক কৰা সঞ্চালক মণ্ডলীয়ে অনুমোদন জনাইছে।
২. ২০২৬ চনৰ ৩১ মাৰ্চ আৰু ২০২৫ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা ত্ৰৈমাসিক বৰ্ষৰ পৰিসংখ্যাসমূহ হৈছে সম্পূৰ্ণ বিত্তীয় বৰ্ষটোৰ অডিট সম্পন্ন কৰা পৰিসংখ্যা আৰু সংশ্লিষ্ট বিত্তীয় বৰ্ষৰ তৃতীয় তিনিমাহেকীয়ালৈকে প্ৰকাশিত বৰ্ষভিত্তিক পৰিসংখ্যাৰ মাজৰ সন্তুলনকাৰী পৰিসংখ্যা।
৩. ওপৰত উল্লেখ কৰাখিনি হ'ল ২০১৫ চনৰ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় ব'ৰ্ড (তালিকাভুক্তকৰণৰ বাধ্যবাধকতা আৰু প্ৰকাশ কৰিবলগীয়া প্ৰয়োজনীয়তাসমূহ) নিয়মাৱলীৰ ৩৩ নম্বৰ নিয়মৰ অধীনত ষ্টক এক্সচেঞ্জত দাখিল কৰা ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা ত্ৰৈমাসিক আৰু বাৰ্ষিক অডিট সম্পন্ন কৰা বিত্তীয় ফলাফলৰ সবিশেষ আৰ্হিৰ এক সাৰাংশ। পূৰ্বোক্ত বিত্তীয় ফলাফলৰ সম্পূৰ্ণ আৰ্হি বম্বে ষ্টক এক্সচেঞ্জৰ ৱেবছাইট (www.bseindia.com) আৰু কোম্পানীৰ ৱেবছাইট (www.jameswarrentea.com)ত উপলব্ধ।

স্থান ঃ কলকাতা
তাৰিখ ঃ ২৯.০৫.২০২৬

সঞ্চালক মণ্ডলীৰ আদেশমৰ্মে
জেমছ ৱাৰেন টি লিমিটেডৰ হৈ
স্বাক্ষৰিত/-
সন্দীপ দাস (পূৰ্ণকালীন সঞ্চালক)
সঞ্চালক চিনাক্তকৰণ নম্বৰ ঃ ০৭৯৭৯৭৯১


# আৰক্ষীৰ পৃথক অভিযানত দুইচোৰসহ সোণাৰি গ্ৰেপ্তাৰ তেজপুৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৯ মে' ঃ** তেজপুৰ আৰক্ষীৰ দুই পৃথক অভিযানত এক তামৰ পাইপ চোৰ আৰু এক চিলনী চোৰসহ এক সোণাৰি আৰক্ষীৰ জালত পৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, যোৱা ২৪ মে'ত কুমাৰগাঁৱৰ এক নিৰ্মীয়মান অট্টালিকাৰ পৰা ভালেসংখ্যক তামৰ পাইপ চুৰি হয়। এই ঘটনাৰ অনুসন্ধান কৰা আৰক্ষীয়ে পাছত চাৰিদুৱাৰ অকাবস্তি বঙালিৰ মুস্তাক হুছেইন(২৪) নামৰ লোকজনক গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা কিছুসংখ্যক তামৰ পাইপো উদ্ধাৰ কৰিবলৈ সক্ষম হয়।ইপিনে আন এক ঘটনাত কালি দিনৰ প্ৰায় দুই বজাত নপামৰ তেজপুৰ বিশ্ববিদ্যালয় পথত মায়াৰাণী সৰকাৰ নামৰ এগৰাকী ৭৫ বছৰীয়া মহিলাৰ ডিঙিৰ পৰা এডাল ৰূপৰ চেইন থপিয়াই চিঙি নিয়ে অচিনাক্ত দুস্কৃতিকাৰীয়ে।এই ঘটনাৰ অনুসন্ধান চলাই আৰক্ষীয়ে নপামৰ কামাল হুছেইন(২৪) নামৰ এক চিলনী চোৰক গ্ৰেপ্তাৰ কৰে। ইপিনে ধৃত কামালে স্বীকাৰ কৰে যে, থপিয়াই নিয়া চেইনডাল তেওঁ নপাম চেণ্টাৰৰ আকাশ দাস(২৬) নামৰ সোণাৰীজনৰ দোকানত বিক্ৰী কৰিছিল। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত পাছত সোণাৰীজনকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে।

# নলবাৰী দিঘেলী জামৰতলৰ সন্ধানহীন যুৱকৰ মৃতদেহ উদ্ধাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, 29 মে: চলিত মাহৰ বিগত শনিবাৰৰ পৰা নিৰুদ্দেশ হৈ আছিল দিঘেলী জামৰ তলৰ জ্যোতিষ দাস। দীৰ্ঘ দিন ধৰি সন্ধানহীন হৈ থকা থকা দিঘেলী জামৰ তলৰ জ্যোতিষ দাস নামৰ যুৱকজনৰ আজি মৃতদেহ উদ্ধাৰ হয়। জামৰতল চুবুৰীৰ বুঢ়া সোচাং মন্দিৰৰ সমীপত এজোপা কটাহ বাহঁৰ ওচৰত এটি পুখুৰীত ওপঙি থকা অৱস্থাত মৃতদেহটো উদ্ধাৰ হয়। ৰাতিপুৱা প্ৰায় ৬ বজাত স্থানীয় লোকে প্ৰত্যক্ষ কৰে যুৱক জনৰ মৃতদেহটো। ইতিমধ্যে যুৱক জনৰ মূৰটো প্ৰায় উওলি গৈছে। স্থানীয় লোকৰ ভাষ্য অনুসৰি যুৱক জনে অত্যধিক মদ্যপান কৰাৰ ফলত আজি কিছুদিন ধৰি মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিল যুৱকজনে। পিতৃহীন যুৱকজনে তেওঁৰ মাতৃৰ সৈতে জীৱন নিৰ্বাহ কৰি আহিছিল। জানিব পৰা অনুসৰি মৃত জ্যোতিষ দাসৰ বয়স প্ৰায় ৩২ বছৰ।

# অসম আন্দোলনত নিৰ্যাতিত-গুলিবিদ্ধ-অক্লান্ত সৈনিক চন্দ্ৰকান্ত বৰাৰ বিয়োগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৯ মে' ঃ** জামুগুৰিহাটৰ ধলাইবিলস্থিত ২নং বৰপথাৰ নিবাসী অসম আন্দোলনৰ এগৰাকী অক্লান্ত সৈনিক,সৰবৰাহী ব্যক্তি চন্দ্ৰকান্ত বৰা কালি উচ্চ ৰক্তচাপজনীত ৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটে। দেশপ্ৰেমৰ ত্যাগৰে উদ্বুদ্ধ চন্দ্ৰকান্ত বৰাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ। ১৯৭৯ চনৰপৰা ১৯৮৫ চনৰ অসম আন্দোলনৰ ভৰপক সময়ছোৱাতে ১৯৮৩ চনৰ জামুগুৰিহাটৰ লালেটাপু অবৈধ বিদেশী বহিষ্কাৰৰ আন্দোলনত চন্দ্ৰকান্ত বৰাই যোগ দিছিল আৰু সেই বৰ্ষৰে ২০ মাৰ্চৰ দিনটোত তেখেত গুলীবিদ্ধ হৈ আহত হৈছিল। দেশপ্ৰেমৰ স্বীকৃতি স্বৰূপে সদৌ অসম ছাত্ৰ সন্থাই ১৯৮৮ চনত চন্দ্ৰকান্ত বৰাক নিৰ্যাতিতৰ প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ উপৰিও অসম চৰকাৰে ২০১৯ বৰ্ষত অসম আন্দোলনত গুলীবিদ্ধ বৰাক দুই লাখ টকাৰ সাহাৰ্যও আগবঢ়াইছিল। জন্মস্থান জামুগুৰিহাটৰ সঙ্গীয়া মাজৰ চুক গাঁও যদিও পৰিয়ালৰ চাকৰিসূত্ৰে ধলাইবিলৰ বাসিন্দা তথা অসম আন্দোলনৰ এগৰাকী অক্লান্ত সৈনিক বৰাৰ মৃত্যুত সমগ্ৰ অঞ্চলটিতে শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত বৰাই পত্নী, এগৰাকী পুত্ৰ, দুগৰাকী জী, নাতিনীকে ধৰি অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# বৰপেটাৰোডৰ শিমলাগুৰিত অচিনাক্ত বৃদ্ধৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৯ মে' ঃ** বৰপেটাৰোডৰ শিমলাগুৰিত ২৭ নং ৰাষ্ট্ৰীয় পথৰ কাষত এগৰাকী ব্যক্তিৰ মৃতদেহ উদ্ধাৰক লৈ এক চাঞ্চল্যৰ সৃষ্টি হৈছে। শিমলাগুৰিৰ ওভাৰব্ৰিজৰ তলত, ২৭ নং ৰাষ্ট্ৰীয় পথৰ কাষৰ পৰা আৰক্ষীয়ে এজন অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ কৰে। প্ৰাপ্ত তথ্য মতে, মৃত ব্যক্তিগৰাকীৰ আনুমানিক বয়স প্ৰায় ৬৫ বছৰ হ'ব বুলি ধাৰণা কৰা হৈছে। উদ্ধাৰৰ সময়ত মৃত ব্যক্তিজনৰ পিন্ধনত এটা নীলা ৰঙৰ ছুৱেটাৰ, ধূসৰ ৰঙৰ দীঘল পেণ্ট আৰু ভৰিত নীলা ৰঙৰ জোতা আছিল।ঘটনাৰ খবৰ পোৱাৰ পিছতে বৰপেটাৰোড আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। আৰক্ষীয়ে ইতিমধ্যে প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষা তথা চিনাক্তকৰণৰ বাবে বৰপেটা মেডিকেল কলেজ আৰু হাস্পতালৰ মৰ্গত সংৰক্ষণ কৰি ৰাখিছে। অৱশ্যে, এই বাতৰি লিখা সময়লৈকে মৃত ব্যক্তিগৰাকীৰ প্ৰকৃত পৰিচয় উদ্ধাৰ কৰিব পৰা হোৱা নাই। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰখাৰ লগতে ব্যক্তিজনৰ পৰিচয় জানিবলৈ চেষ্টা চলাই আছে।


প্ৰাগ বৈছিমি ছিন্থেটিক্স লিমিটেড
পঞ্জীভুক্ত কাৰ্যালয় ঃ ঘৰ নম্বৰ 4, অম্বিকাগিৰী নগৰ, মিলন পথ, আৰ. জি. বৰুৱা ৰোড, গুৱাহাটী- ৭৮১ ০২৪।
কৰ্পোৰেট চিনাক্তকৰণ নম্বৰ ঃ L17124AS1987PLC002758 ইমেইল ঃ secretarial@bosimi.com, ৱেবছাইটঃ www.pragbosimi.com

৩১-০৩-২০২৬ত সমাপ্ত হোৱা সময়ছোৱাৰ বাবে অডিট সম্পন্ন কৰা একত্ৰিত বিত্তীয় ফলাফলৰ বিৱৰণ

(লাখ টকাত)


| ক্ৰ. নং | বিৱৰণ | সমাপ্ত হোৱা ত্ৰৈমাসিক | | | এপ্ৰিল ২০২৫ৰ পৰা মাৰ্চ ২০২৬ লৈ সমাপ্ত হোৱা ১২ মাহৰ অডিট সম্পন্ন কৰা পৰিসংখ্যা |
|---|---|---|---|---|---|
| | | ৩১-মাৰ্চ-২০২৫ (অডিট সম্পন্ন কৰা) | ৩১-ডিচেম্বৰ-২০২৫ (অডিট নকৰা) | ৩১-মাৰ্চ-২০২৫ (অডিট সম্পন্ন কৰা) | |
| ১ | কাৰ্যকলাপৰ পৰা হোৱা মুঠ উপাৰ্জন | 89.00 | 61.65 | 0.39 | 182.74 |
| ২ | ব্যতিক্ৰমী আৰু কৰ দফাৰ পূৰ্বে লাভ/(লোকচান) | (356.34) | (167.98) | (368.50) | (1,080.45) |
| ৩ | অসাধাৰণ দফা আৰু কৰৰ পূৰ্বে লাভ/(লোকচান) | (356.34) | (167.98) | (368.50) | (1,080.45) |
| ৪ | কৰৰ পূৰ্বে সাধাৰণ কাৰ্যকলাপৰ পৰা হোৱা লাভ/(লোকচান) | (356.34) | (167.98) | (368.50) | (1,080.45) |
| | কৰৰ পিছত উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ/(লোকচান) | (356.34) | (167.98) | (368.50) | (1,080.45) |
| ৫ | উক্ত সময়ছোৱাৰ বাবে সৰ্বমুঠ অন্যান্য ব্যাপক উপাৰ্জন | (356.34) | (167.98) | (368.50) | (1,080.45) |
| ৬ ৭ | পৰিশোধিত ইকুইটি শ্বেয়াৰৰ মূলধন (প্ৰতিটো শ্বেয়াৰৰ মুখ্য মূল্য ১০ টকাকৈ) | 7,729 | 7,729 | 7,729 | 7,729 |
| ৮ | পূৰ্ববৰ্তী হিচাপ বৰ্ষৰ বেলেঞ্চ শ্বীট অনুসৰি সঞ্চিত ধন (পুনৰ মূল্যাংকন সঞ্চিত ধনৰ বাহিৰে) | | | | (10,732.41) |
| ৯ | প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জন (অসাধাৰণ দফাৰ পূৰ্বে) (প্ৰতিটো ১০ টকাকৈ) — | | | | |
| | ক) মৌলিক প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জন | (0.46) | (0.22) | (0.48) | (1.40) |
| | খ) লঘূকৃত প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জন | (0.46) | (0.22) | (0.48) | (1.40) |

ওপৰত উল্লেখ কৰাখিনি হ'ল ২০১৫ চনৰ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় ব'ৰ্ড (তালিকাভুক্তকৰণৰ বাধ্যবাধকতা আৰু প্ৰকাশ কৰিবলগীয়া প্ৰয়োজনীয়তাসমূহ) নিয়মাৱলীৰ ৩৩ নম্বৰ নিয়মৰ অধীনত ষ্টক এক্সচেঞ্জত দাখিল কৰা ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা একত্ৰিত অডিট সম্পন্ন কৰা বিত্তীয় ফলাফলৰ সবিশেষ আৰ্হিৰ এক সাৰাংশ। ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা ত্ৰৈমাসিক বৰ্ষৰ অডিট সম্পন্ন কৰা ফলাফলৰ সম্পূৰ্ণ আৰ্হি কোম্পানীৰ ৱেবছাইট "www.pragbosimi.com" আৰু ষ্টক এক্সচেঞ্জৰ ৱেবছাইট অৰ্থাৎ www.bseindia.com ত উপলব্ধ।

স্থান ঃ গুৱাহাটী
তাৰিখ ঃ ২৯-০৫-২০২৬

প্ৰাগ বৈছিমি ছিন্থেটিক্স লিমিটেডৰ হৈ
স্বাক্ষৰিত/-
ৰক্তিম কুমাৰ দাস
পূৰ্ণকালীন সঞ্চালক
সঞ্চালক চিনাক্তকৰণ নম্বৰ ঃ ০৫১১৫১২৬


# জ্যেষ্ঠ বিজেপি নেতা বিৰিঞ্চি শৰ্মাৰ মৃত্যুত নগাঁৱত শোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ মে' ঃ** নগাঁও চহৰৰ খুটিকটীয়া নিৱাসী, জ্যেষ্ঠ বিজেপি নেতা বিৰিঞ্চি শৰ্মা (৭৬)ৰ আজি পুৱা গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিজেপিৰ দুৰ্দিনৰ সময়ত তেওঁ নগাঁৱত বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। নগাঁৱত বিজেপিৰ প্ৰতিষ্ঠা কৰা সকলৰ অন্যতম হোতা বিৰিঞ্চি শৰ্মা মৃত্যুৰ সময়লৈকে বিজেপিৰ আদৰ্শত অবিচল আছিল। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ (আৰ এছ এছ) এজন সেৱক হিচাপে তেওঁ নগাঁৱত সংঘৰ কাম কাজ আগবঢ়াই নিছিল। ১৯৯১ চনত তেওঁ নগাঁও সংসদীয় সমষ্টিত বিজেপিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল। উল্লেখ যে নগাঁও সংসদীয় সমষ্টিত তেওঁৱেই বিজেপিৰ হৈ প্ৰথম প্ৰতিদ্বন্দ্বিতা কৰিছিল। বিজেপিৰ সংগঠন শক্তিশালী কৰাৰ সামান্তৰালভাৱে তেওঁ বিভিন্ন সামাজিক-সাংস্কৃতিক কাম-কাজৰ লগত জড়িত আছিল। উল্লেখ যে তেওঁ কিছুদিন ধৰি অসুস্থ হৈ আছিল। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে নগাঁৱত শোকৰ ছাঁ পৰে। নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কয় যে বিৰিঞ্চি শৰ্মাৰ মৃত্যুত বিজেপিয়ে এজন আদৰ্শবান আৰু একনিষ্ঠ সৈনিকক হেৰুৱালে। তেওঁৰ মৃত্যু নগাঁও জিলা বিজেপিৰ বাবে অপূৰণীয় ক্ষতি। তেওঁ মোক ব্যক্তিগতভাৱে পৰামৰ্শ দি আহিছিল বুলি উল্লেখ কৰি বিধায়ক শৰ্মাই কয় যে তেওঁৰ মৃত্যুত মই অতিশয় মৰ্মাহত হৈছোঁ। নগাঁও জিলা বিজেপিয়ে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে বিৰিঞ্চি শৰ্মাৰ মৃত্যু আমাৰ বাবে অপূৰণীয় ক্ষতি। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, নগাঁও জিলা বিজেপিৰ ভাৰপ্ৰাপ্ত সভাপতি সুৱৰ্ণ সিং, বিজেপিৰ ৰাজ্যিক সম্পাদক অভিজিত নাথ, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ব্ৰজেন কাকতি, খুটিকটীয়াৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। আজি বিয়লি নগাঁও চহৰৰ তেলীয়াপট্টী শ্মশানত তেওঁৰ শেষকৃত সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ ইহসংসাৰত পত্নী, দুই জীয়ৰীসহ বহু আত্মীয় স্বজন এৰি থৈ গৈছে।


এমিনছ্ এণ্ড প্লাষ্টিচাইজাৰ্চ লিমিটেড
পঞ্জীভুক্ত কাৰ্যালয়ৰ ঠিকনা ঃ টি-১১, তৃতীয় মহলা, গ্ৰেণ্ড প্লাজা, পল্টন বজাৰ, জি.এছ. ৰোড, গুৱাহাটী- ৭৮১০০৮, অসম।
কৰ্পোৰেট কাৰ্যালয়ৰ ঠিকনা ঃ 'ডি' বিল্ডিং, শিৱসাগৰ ইষ্টেট, ষষ্ঠ মহলা, ড° এনী বেচাণ্ট ৰোড, ৱৰ্লী, মুম্বাই- ৪০০ ০১৮।
কৰ্পোৰেট চিনাক্তকৰণ নম্বৰঃ L24229AS1973PLC001446 ।। ইমেইলঃ cs@amines.com ।। ৱেবছাইটঃ https://www.amines.com ।। দূৰভাষ ঃ ০২২ ৬২২১১০০০ ।। ফেক্স ঃ ০২২ ২৪৯৩৮১৬২

২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা তিনিমাহেকীয়া আৰু বাৰ্ষিক অডিট সম্পন্ন কৰা পৃথক আৰু একত্ৰিত বিত্তীয় ফলাফলৰ সাৰাংশ

(প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জনৰ বাহিৰে বাকীসমূহ লাখ টকাত)

| বিৱৰণ | স্বতন্ত্ৰ | | | | | একত্ৰিত | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | সমাপ্ত হোৱা তিনিমাহেকীয়া | | | সমাপ্ত হোৱা বৰ্ষ | | সমাপ্ত হোৱা তিনিমাহেকীয়া | | | সমাপ্ত হোৱা বৰ্ষ | |
| | ৩১ মাৰ্চ, ২০২৬ | ৩১ ডিচেম্বৰ, ২০২৫ | ৩১ মাৰ্চ, ২০২৫ | ৩১ মাৰ্চ, ২০২৬ | ৩১ মাৰ্চ, ২০২৫ | ৩১ মাৰ্চ, ২০২৬ | ৩১ ডিচেম্বৰ, ২০২৫ | ৩১ মাৰ্চ, ২০২৫ | ৩১ মাৰ্চ, ২০২৬ | ৩১ মাৰ্চ, ২০২৫ |
| | অডিট সম্পন্ন কৰা | অডিট নকৰা | অডিট সম্পন্ন কৰা | অডিট সম্পন্ন কৰা | অডিট সম্পন্ন কৰা | অডিট সম্পন্ন কৰা | অডিট নকৰা | অডিট সম্পন্ন কৰা | অডিট সম্পন্ন কৰা | অডিট সম্পন্ন কৰা |
| কাৰ্যকলাপৰ পৰা হোৱা মুঠ উপাৰ্জন | 15,534.36 | 14,273.10 | 16,397.41 | 57,138.17 | 65,659.87 | 15,538.86 | 14,276.96 | 16,598.99 | 57,174.98 | 66,196.23 |
| উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ (কৰ, ব্যতিক্ৰমী আৰু/বা অসাধাৰণ দফাৰ পূৰ্বে) | 2,061.71 | 1,056.06 | 1,734.87 | 4,931.46 | 5,378.37 | 2,060.51 | 1,054.85 | 1,716.62 | 4,936.64 | 5,489.37 |
| কৰৰ পূৰ্বে উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ (ব্যতিক্ৰমী আৰু/বা অসাধাৰণ দফাৰ পিছত) | 2,061.71 | 1,056.06 | 1,734.87 | 4,931.46 | 5,378.37 | 2,060.51 | 1,054.85 | 1,716.62 | 4,936.64 | 5,489.37 |
| কৰৰ পিছত উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ (ব্যতিক্ৰমী আৰু/বা অসাধাৰণ দফাৰ পিছত) | 1,536.43 | 759.32 | 1,298.88 | 3,647.99 | 3,989.15 | 1,535.23 | 758.11 | 1,280.63 | 3,653.17 | 4,100.15 |
| উক্ত সময়ছোৱাৰ বাবে সৰ্বমুঠ ব্যাপক উপাৰ্জন (য'ত অন্তৰ্ভুক্ত আছে উক্ত সময়ছোৱাৰ লাভ (কৰৰ পিছত) আৰু অন্যান্য ব্যাপক উপাৰ্জন (কৰৰ পিছত)) | 1,535.72 | 752.60 | 1,277.24 | 3,627.12 | 3,962.26 | 1,598.43 | 702.69 | 1,324.29 | 3,637.49 | 4,141.46 |
| ইকুইটি শ্বেয়াৰৰ মূলধন (পৰিশোধিত) | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 | 1,100.40 |
| পূৰ্ববৰ্তী বৰ্ষৰ অডিট সম্পন্ন কৰা বেলেঞ্চ শ্বীটত দেখুওৱা অনুসৰি সঞ্চিত ধন (পুনৰ মূল্যাংকন সঞ্চিত ধনৰ বাহিৰে) | | | | 27,713.87 | 24,365.10 | | | | 28,125.28 | 24,766.14 |
| প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জন (প্ৰতিটো ২ টকাকৈ) (অবিৰত আৰু বন্ধ হৈ যোৱা কাৰ্যকলাপৰ বাবে) — | | | | | | | | | | |
| ক) মৌলিক | 2.79 | 1.38 | 2.36 | 6.63 | 7.25 | 2.79 | 1.38 | 2.33 | 6.64 | 7.45 |
| খ) লঘূকৃত | 2.79 | 1.38 | 2.36 | 6.63 | 7.25 | 2.79 | 1.38 | 2.33 | 6.64 | 7.45 |

টোকা ঃ
১. ওপৰত উল্লেখ কৰাখিনি হ'ল ২০১৫ চনৰ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় ব'ৰ্ড (তালিকাভুক্তকৰণৰ বাধ্যবাধকতা আৰু প্ৰকাশ কৰিবলগীয়া প্ৰয়োজনীয়তাসমূহ) নিয়মাৱলীৰ ৩৩ নম্বৰ নিয়মৰ অধীনত ষ্টক এক্সচেঞ্জসমূহত দাখিল কৰা ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা তিনিমাহেকীয়া আৰু বাৰ্ষিক অডিট সম্পন্ন কৰা পৃথক আৰু একত্ৰিত বিত্তীয় ফলাফলৰ সবিশেষ আৰ্হিৰ এক সাৰাংশ। অডিট সম্পন্ন কৰা বিত্তীয় ফলাফলৰ উক্ত সাৰাংশৰ সম্পূৰ্ণ আৰ্হি, বিধিবদ্ধ অডিটৰসকলে জাৰী কৰা বিধিবদ্ধ অডিট প্ৰতিবেদনৰ সৈতে ষ্টক এক্সচেঞ্জৰ ৱেবছাইটসমূহ অৰ্থাৎ www.bseindia.com আৰু www.nseindia.comত উপলব্ধ হোৱাৰ লগতে কোম্পানীৰ ৱেবছাইট https://www.amines.com/financial-result.html ত উপলব্ধ কৰা হৈছে। তলত দিয়া কিউআৰ কোড স্কেন কৰিও এই ফলাফলসমূহ চাব পাৰিব।
২. ওপৰোক্ত ফলাফলসমূহ অডিট কমিটিয়ে পৰ্যালোচনা কৰিছে আৰু তাৰ পিছত ২০২৬ চনৰ ২৮ মে'ত অনুষ্ঠিত হোৱা তেওঁলোকৰ নিজা নিজা বৈঠকত সঞ্চালক মণ্ডলীয়ে অনুমোদন জনাইছে।
৩. সঞ্চালক মণ্ডলীয়ে আগন্তুক বাৰ্ষিক সাধাৰণ সভাত ইকুইটি শ্বেয়াৰহোল্ডাৰসকলৰ অনুমোদন সাপেক্ষে, প্ৰতিটো ২ টকাৰ ইকুইটি শ্বেয়াৰত ২৫ শতাংশ অৰ্থাৎ ০.৫০ টকাকৈ চূড়ান্ত লভ্যাংশ ঘোষণা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।
৪. ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা তিনিমাহেকীয়া বৰ্ষৰ পৰিসংখ্যাসমূহ হৈছে ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বৰ্ষটোৰ অডিট সম্পন্ন কৰা পৰিসংখ্যা আৰু ৩১ ডিচেম্বৰ, ২০২৫ ত সমাপ্ত হোৱা ন মাহৰ বাবে প্ৰকাশিত অডিট নকৰা পৰিসংখ্যাৰ মাজৰ সন্তুলনকাৰী পৰিসংখ্যা, যিবোৰ বিধিবদ্ধ অডিটৰসকলৰ দ্বাৰা সীমিত পৰ্যালোচনাৰ অধীনত আছিল।

স্থান ঃ মুম্বাই
তাৰিখ ঃ ২৮ মে', ২০২৬

এমিনছ্ এণ্ড প্লাষ্টিচাইজাৰ্চ লিমিটেডৰ হৈ
হেমন্ত কুমাৰ ৰুইয়া
অধ্যক্ষ তথা পৰিচালন সঞ্চালক
সঞ্চালক চিনাক্তকৰণ নম্বৰ ঃ ০০০২৯৪১০

